সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৫১ সংখ্যা, ২ পুহ , ৰবিবাৰ, ১৪২৯ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 51 Date Of Publication -18 December 2022 Rs.10.00/-

## খানাপাৰাত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই উদ্বোধন কৰিলে কৃষি-উদ্যান শস্য প্ৰদৰ্শনী-২০২২




ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই খানাপাৰাত অনুষ্ঠিত সপ্তম অসম আন্তৰ্জাতিক কৃষি-উদ্যান শস্য মেলাৰ শুভ উদ্বোধন কৰে। তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই মেলাখনত বৈজ্ঞানিকভাৱে উৎপাদিত কৃষি-উদ্যান শস্যৰ বিভিন্ন শাক-পাচলি আৰু ফল-মূল প্ৰদৰ্শন কৰা হৈছে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ লগতে মন্ত্ৰী অতুল বৰা, ইউ জি ব্ৰহ্ম, জয়ন্ত মল্লবৰুৱা, নন্দিতা গাৰ্লোছা,সাংসদ কুইন ওজা, মাননীয় বিধায়ক তৰংগ গগৈ, ম্যানমাৰৰ ৰাষ্ট্ৰদূত ম' কিয়াও আং, মিছন বাংলাদেশৰ মুৰব্বী ৰুবুল আমিন, মিছন ঘানাৰ মুৰব্বী আৰ্নেষ্ট নানা আডজেই আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

## লাহৰীঘাটত ব্ৰহ্মপুত্ৰত ভয়ংকৰ নাও দুৰ্ঘটনা



ৰঙিলী বাৰ্ত্তাসেৱা- লাহৰীঘাটত ব্ৰহ্মপুত্ৰত ভয়ংকৰ নাও দুৰ্ঘটনা। দুৰ্ঘটনাত একেটা পৰিয়ালৰ প্ৰাণ গ'ল মাতৃ, পুত্ৰ আৰু কন্যাৰ। নাও দুৰ্ঘটনাত মৃত্যু হয় বিমলা খাতুন, জিন্নাতুল ইছলাম আৰু ইছতাৰা খাতুনৰ। মৰিগাঁও জিলাৰ লাহৰীঘাটৰ হামু চাপৰিত সংঘটিত হয় এই ভয়ংকৰ নাও দুৰ্ঘটনাটো। দুপৰীয়া বিয়া খাবলৈ টুলুঙা নাৱেৰে আন এখন চাপৰিত গৈ থকা অৱস্থাতে সংঘটিত হয় এই ভয়ংকৰ নাও দুৰ্ঘটনা।

## আই পি এলৰ খেলুৱৈৰ তালিকাত অসমৰ প্ৰতিভাবান ক্ৰিকেটাৰ মুখতাৰ হুছেইন




ৰঙিলী বাৰ্ত্তাসেৱা- আগন্তুক বৰ্ষত আই পি এলৰ খেলুৱৈৰ তালিকাত অসমৰ প্ৰতিভাবান ক্ৰিকেটাৰ মুখতাৰ হুছেইনৰ নাম। ডিব্ৰুগড়ৰ মুখতাৰ হুছেইনক এইবাৰ অসমবাসীয়ে দেখা পাব ২০২৩ৰ আইপিএলত। আইপিএলত নিলাম হ'বলগীয়া খেলুৱৈৰ তালিকাত নাম অন্তৰ্ভুক্ত হৈছে ডিব্ৰুগড়ৰ মুখতাৰ হুছেইন। বৰ্তমান আই পি এলৰ একচন লিষ্টত আছে মুখতাৰৰ নাম। মুখতাৰ হুছেইন এজন অল ৰাউণ্ড বলাৰ। বিজয় হাজাৰে ট্ৰফীত ভাল প্ৰদৰ্শন আগবঢ়াইছিল মুখতাৰ হুছেইনে। উল্লেখ্য যে, ২০২৩ চনৰ আইপিএলৰ নিলামৰ বাবে নাম পঞ্জীয়ন কৰিছিল ৯৯১জন খেলুৱৈয়ে। নিলামত অংশগ্ৰহণৰ বাবে সাজু হৈছে ৪০৫ গৰাকী খেলুৱৈ। তাৰ ভিতৰত আছে অসমৰ মুখতাৰ হুছেইন ।মুখতাৰ হুছেইনৰ বেছ প্ৰাইচ হ'ব ২০ লাখ টকা।

## ২৩ ডিচেম্বৰত মুক্তি পাব জুবিন গাৰ্গৰ নতুন ছবি 'ৰাজনীতি'



ৰঙিলী বাৰ্ত্তাসেৱা- অসমীয়া ছবিজগতৰ বাবে আন এক ভাল খবৰ। ২৩ ডিচেম্বৰত অসমৰ চিনেমা হলত মুক্তি পাব জুবিন গাৰ্গৰ নতুন ছবি 'ৰাজনীতি'। ছবিখনৰ বিষয়ে এটা ভিডিঅ' পোষ্ট কৰি জুবিন গাৰ্গে ছবিখন ২৩ ডিচেম্বৰত অসমৰ চিনেমা হলত মুক্তি পাব বুলি প্ৰকাশ কৰিছে। জনপ্ৰিয় কণ্ঠশিল্পী গৰাকীয়ে সকলোকে চিনেমাখন চাবলৈ

( পাঁচ পৃষ্ঠাত চাওক)

## ৰে'লৰ পৰা পৰি মৃত্যুক সাৱটিলে নগাঁও ছোৱালী মহাবিদ্যালয়ৰ অধ্যাপিকাই



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ নাৰেংগী ৰে'ল ষ্টেচনত সংঘটিত এক শোকাবহ দুৰ্ঘটনাত মৃত্যুক সাৱটিলে নগাঁও ছোৱালী মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপিকা ডঃ সংজিতা দত্তই। নিতৌ ৰে'লেৰে গুৱাহাটীৰ পৰা নগাঁৱলৈ অহা-যোৱা কৰা অধ্যাপিকা গৰাকীয়ে বৃহস্পতি বাৰেও মহাবিদ্যালয়খনৰ পৰা গুৱাহাটীলৈ উভতি গৈছিল। পিছে নাৰেংগী ৰে'ল ষ্টেচনত ৰে'লৰ পৰা নমাৰ সময়তেই দুৰ্ভাগ্যজনকভাৱে ৰে'লৰ তলত তেওঁৰ ভৰি সোমাই যায়। ইয়াৰ পিছতেই শোকাৱহভাৱে মৃত্যুক সাৱটি লয় শিক্ষয়িত্ৰীগৰাকীয়ে। মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰীসকলৰ মাজত অতিকৈ জনপ্ৰিয় অধ্যাপিকাগৰাকীৰ বিয়োগত নগাঁৱত শোকৰ ছাঁ পৰিছে। পূৰ্বে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃত বিভাগত সোণৰ পদক অৰ্জন কৰা প্ৰয়াত ডঃ সংজিতা দত্তই তেওঁৰ স্বামীৰ লগতে পুত্ৰ-কন্যাক ইহসংসাৰত এৰি থৈ গৈছে।

## পুনৰ ঘোচ লৈ হাতে-লোটে গ্ৰেপ্তাৰ কনিষ্ঠ গাণনিক সহায়ক জগত চন্দ্ৰ নাথ



ৰঙিলী বাৰ্ত্তাসেৱা-পুনৰ উৎকোচ লৈ জালত পৰিল চৰকাৰী বিষয়া। লখিমপুৰৰ বিহপুৰীয়াত

( পাঁচ পৃষ্ঠাত চাওক)

# জে ডি ইনষ্টিটিউট অব ফেশ্বন টেকনলজিৰ বাৰ্ষিক ডিজাইন এৱাৰ্ডছ ২০২২

ৰঙিলী বাৰ্ত্তাসেৱা- অৱশেষত জে ডি ইনষ্টিটিউট অব ফেশ্বন টেকনলজিৰ শিক্ষাৰ্থীসকলৰ অপেক্ষাৰ সময় অন্ত পৰিল। জে ডি এনুৱেল ডিজাইন এৱাৰ্ডছৰ কাৰ্টেইন ৰেইজাৰ অনুষ্ঠান ৯ ডিচেম্বৰত অনুষ্ঠিত হয়। ফেশ্বন শ্ব' তথা প্ৰদৰ্শনী ১০ ডিচেম্বৰত আই টি এ মাচখোৱাত অনুষ্ঠিত হয়। ইয়াত উদীয়মান ডিজাইনাৰসকলৰ উদ্ভাৱনশীল আৰু ডিজাইনে ফেশ্বন শ্ব'ক প্ৰাণৱন্ত কৰি তোলে। কাৰ্যবাহী সঞ্চালক শ্ৰীমতী ৰূপাল দালাল আৰু জে ডি ইনষ্টিটিউটৰ সঞ্চালক হৰ্ষ দালালে এই অনুষ্ঠানত উপস্থিত থাকি ফেশ্বন শ্ব' আৰু ভিতৰচ'ৰাৰ প্ৰদৰ্শনীৰ বিচাৰকৰ ভূমিকা পালন কৰে। গুৱাহাটী ইনষ্টিটিউটৰ সঞ্চালকৰ লগতে অনুষ্ঠানটোত উপস্থিত




থাকে অসমীয়া চলচ্চিত্ৰ আৰু ম'বাইল থিয়েটাৰৰ প্ৰখ্যাত ডিজাইনাৰ তথা 'গৰিমাজ হিউছ' ৰ স্বত্বাধিকাৰী গৰিমা শইকীয়া গাৰ্গ, স্থপতিবিদ আৰু 'আকৃতি'ৰ গৰাকী ৰিতুল শৰ্মা। এইসকল লোকৰ উপস্থিতিয়ে শিক্ষাৰ্থীসকলক তেওঁলোকৰ শ্ৰেষ্ঠ কৰ্মৰাজি সুন্দৰভাৱে প্ৰদৰ্শন কৰাত অনুপ্ৰাণিত কৰে। জে ডি বাৰ্ষিক ডিজাইন এৱাৰ্ডছ ২০২২ ৰ বিষয়বস্তু আছিল 'এৰাইভেল' (আগমন), যিয়ে আমাক এৰি থৈ যোৱা উত্তৰাধিকাৰ বিষয়ে পুনৰ বিবেচনা কৰিবলৈ বাধ্য কৰাইছিল। ভিতৰচ'ৰাৰ প্ৰদৰ্শনীত বিভিন্ন উদ্ভাৱনীমূলক, ভৱিষ্যৎমুখী আৰু বহনক্ষম সামগ্ৰী প্ৰদৰ্শন কৰা হয়।অসাধাৰণ কৰ্মৰাজি প্ৰদৰ্শন কৰা শিক্ষাৰ্থীসকলে শ্ৰেষ্ঠ ডিজাইন, আটাইতকৈ উদ্ভাৱনী, ব্যৱসায়িকভাৱে আটাইতকৈ কাৰ্যক্ষম আৰু শ্ৰেষ্ঠ ৰিছাৰ্চৰ শাখাত বঁটা লাভ কৰে। জে ডি বাৰ্ষিক এৱাৰ্ডছৰ মূল উদ্দেশ্য ব্যাখ্যা কৰে জে ডি গুৱাহাটীৰ সঞ্চালক সুমিতা দে ডেকাই।

# গাৰ পৰা মাহ হালধিৰ গোন্ধ নৌযাঁওতেই পথ দুৰ্ঘটনাই প্ৰাণ কাঢ়ি নিলে কণিকা বড়োৰ



ৰঙিলী বাৰ্ত্তাসেৱা- বাক্সাৰ শালবাৰীৰ শোকাৱহ পথ দুৰ্ঘটনা। গাৰ পৰা মাহ হালধিৰ গোন্ধ নৌযাঁওতেই পথ দুৰ্ঘটনাই প্ৰাণ কাঢ়ি নিলে নিখিল বড়ো ছাত্ৰ সন্থা চমুকৈ এবছুৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সাংস্কৃতিক সম্পাদিকা কণিকা বড়োৰ। বাক্সাৰ ৰাঙ্গনীপাৰা গাঁৱৰ হাংগামা বড়ো নামৰ এবছু নেতাৰ সৈতে অলপতে বিবাহপাশত আবদ্ধ হৈছিল কণিকা বড়ো (৩০)। দেওবাৰে সন্ধিয়া প্ৰায় ৬.২৫ বজাত শালবাৰীৰ ৰঙাপানী এলেকাত সংঘটিত হয় এই ভয়ংকৰ পথ দুৰ্ঘটনা। স্থানীয় ৰাইজে ঘটনাস্থলীৰ পৰা আহত আটাইকেইজনকে ১০৮ এম্বুলেন্সেৰে পাঠশালা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। পাঠশালাত চিকিৎসকে গুৰুতৰভাৱে আহত কণিকা বড়োৰ চিকিৎসালয়লৈ অনাৰ পথত মৃত্যু হোৱা বুলি ঘোষণা কৰে। কণিকা বড়োৰ এনে অকাল বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে বিটিআৰৰ মুৰব্বী প্ৰমাদে বড়োৱে।

# বিজেপিৰ নেতা ভূপেন্দ্ৰ পেটেলে মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ

ৰঙিলী বাৰ্ত্তাসেৱা- বিজেপিৰ নেতা ভূপেন্দ্ৰ পেটেলে সোমবাৰে গুজৰাটৰ দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰী হিচাপে শপত লয়। দলৰ নেতা ভূপেন্দ্ৰ পেটেলে আন ২০ গৰাকী কেবিনেট মন্ত্ৰীৰ সৈতে মুখ্যমন্ত্ৰী হিচাপে শপত লয়। গুজৰাটৰ ৰাজধানী গান্ধীনগৰৰ নতুন সচিবালয়ৰ নিকটৱৰ্তী হেলিপেড গ্ৰাউণ্ডত অনুষ্ঠিত শপত গ্ৰহণ অনুষ্ঠানত ৬০ বছৰীয়া বিজেপি নেতা গৰাকীক গুজৰাটৰ ৰাজ্যপাল আচাৰ্য দেৱব্ৰতে নতুন



মুখ্যমন্ত্ৰী হিচাপে শপতবাক্য পাঠ কৰায়। প্ৰধানমন্ত্ৰী মোডীয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰি এক ৰোড শ্ব' কৰি আহমেদাবাদত উপস্থিত হয়। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙেও শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰে। ইয়াৰ ওপৰিও বিজেপি শাসিত ৰাজ্য সমূহৰ মুখ্যমন্ত্ৰীসকলো এই অনুষ্ঠানত উপস্থিত থাকে।

# ৰাজ্যত পুনৰ এনকাউণ্টাৰৰ ঘটনা

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যত পুনৰ এনকাউণ্টাৰৰ ঘটনা। এইবাৰ আৰক্ষীৰ গুলীত নিহত প্ৰফেশ্যনেল কিলাৰ বিহাৰৰ মোহন কুমাৰ। লামডিঙৰ অৱসৰপ্ৰাপ্ত ৰে'ল কৰ্মচাৰীক গুলীওৱা ঘটনাৰ সৈতে জড়িতৰ অপৰাধত গ্ৰেপ্তাৰ কৰা হৈছিল মোহন কুমাৰক। বিহাৰৰ পৰা অসমলৈ আহি বিভিন্ন অপৰাধজনীত কামত জড়িত আছিল মোহন কুমাৰ। জানিব পৰা মতে, নিশা আৰক্ষীয়ে মোহনক লৈ গৈছিল লুকুৱাই থোৱা অস্ত্ৰ দেখুৱাবলৈ। কিন্তু হঠাতে এটা মাৰণাস্ত্ৰ উলিয়াই মোহনে আৰক্ষীক গুলীচালনা কৰিবলৈ উদ্যত হয়। প্ৰত্যুত্তৰত আৰক্ষীয়ে গুলীচালনা কৰাত গুৰুতৰভাৱে আহত হয় মোহন। পৰৱৰ্তী সময়ত মোহনক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও চিকিৎসকে মৃত ঘোষণা কৰে মোহনক। ইপিনে আৰক্ষীয়ে মোহনে লুকুৱাই থোৱা দুটা হস্তনিৰ্মিত বন্দুক আৰু এটা পইণ্ট থ্ৰী টু পিষ্টল উদ্ধাৰ কৰিবলৈ সক্ষম হয়।

# চিত্ৰ নিৰ্মাতা পাৰ্থজিৎ বৰুৱাই ৰাজ্যলৈ কঢ়িয়াই আনিছে সুনাম




ৰঙিলী বাৰ্ত্তাসেৱা- নীলপৱন বৰুৱাৰ জীৱনৰ আধাৰত নিৰ্মিত "ব্ৰাছ ষ্ট্ৰ'ক" লৈ শ্ৰেষ্ঠ তথ্য চিত্ৰ বঁটা। মুম্বাই আন্তঃৰাষ্ট্ৰীয় চুটি ছবি প্ৰতিযোগিতাত " ব্ৰাছ ষ্ট্ৰ'ক" ছবিখনে শ্ৰেষ্ঠ তথ্য চিত্ৰৰ বঁটা লাভ কৰিছে। মহোৎসৱত অংশগ্ৰহণ কৰা দেশ-বিদেশৰ বিভিন্ন তথ্যচিত্ৰৰ মাজৰ পৰা পাৰ্থজিৎ বৰুৱাই শ্ৰেষ্ঠ পৰিচালকৰ সন্মান লাভ কৰিবলৈ সক্ষম হয়। বিশিষ্ট চিত্ৰ শিল্পী নীলপবন বৰুৱাৰ জীৱন আৰু শিল্পক কেন্দ্ৰ কৰি নিৰ্মান কৰা হৈছে ব্ৰাছ ষ্ট্ৰ'ক নামৰ চুটি ছবিখন। পাৰ্থজিৎ বৰুৱাই নিৰ্মাণ কৰা ৪৫ মিনিট দৈৰ্ঘ্যৰ চুটি ছবিখনত শিল্পী নীলপৱন বৰুৱাৰ জীৱন আৰু শিল্প কৰ্মৰ ওপৰত বিশদভাৱে বৰ্ণনা কৰিছে। পৰিচালক গৰাকীয়ে এই বঁটা লাভ কৰি আনন্দিত হোৱাৰ লগতে উক্ত বঁটা নীলপৱন বৰুৱাক দীৰ্ঘদিন ধৰি পৰিচৰ্যা কৰা জোনালী আৰু মৰমীলৈ উৎসৰ্গা কৰে।

# বেংগালুৰুত পথ দুৰ্ঘটনাত তিনিজনৰ যুৱকৰ মৃত্যু

ৰঙিলী বাৰ্ত্তাসেৱা- বেংগালুৰুত সংঘটিত হোৱা এক পথ দুৰ্ঘটনাত অসমৰ তিনিজন যুৱকৰ মৃত্যু হৈছে। বেংগালুৰুৰ মায়াচন্দ্ৰাত নিশা সংঘটিত হয় এই শোকাৱহ দুৰ্ঘটনাটো। জানিব পৰা মতে এখন ডাম্পাৰে যুৱক তিনিজনক মহতিয়াই নিয়ে। নিহত যুৱক তিনিজনক লখিমপুৰ বাহগড়াৰ অসীম দেউৰী, নগাঁৱৰ চাপৰমুখ কচুৱাৰ চন্দন দাস আৰু কাৰ্বি আংলঙৰ কৰণ বসুমতাৰী বুলি চিনাক্ত কৰা হৈছে।

# পিষ্টল দেখুৱাই মহিলাৰ পৰা কাঢ়ি নিলে সোণৰ চেইন

ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ ৰাজগড়, কমাৰ্চ পইণ্টৰ কাষতে সংঘটিত হৈছে চুৰি ঘটনা। এখন মটৰ চাইকেলত অহা দুৰ্বৃত্তই পদপথেৰে গৈ থকা এগৰাকী মহিলাক পিষ্টল দেখুৱাই তেওঁ ডিঙিত পৰিধাণ কৰি থকা সোণৰ চেইন কাঢ়ি লৈ যায়। ঘটনা সন্দৰ্ভত মহিলাগৰাকীয়ে চানমাৰি আৰক্ষীক অৱগত কৰিছে।

# ৰাষ্ট্ৰপতিৰ দ্বাৰা সন্মানিত গুৱাহাটীৰ ছাত্ৰী বনস্মিতা কাশ্যপ




ৰঙিলী বাৰ্ত্তাসেৱা- নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ দ্বাৰা সন্মানিত হ'ল গুৱাহাটীৰ ছাত্ৰী বনস্মিতা কাশ্যপ। কেন্দ্ৰীয় শক্তি মন্ত্ৰালয়ে অনুষ্ঠিত কৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰ চিত্ৰাংকণ প্ৰতিযোগিতাত বনস্মিতা কাশ্যপে প্ৰথম স্থান লাভ কৰিছে। শক্তি সংৰক্ষনৰ ওপৰত কেন্দ্ৰীয় শক্তি মন্ত্ৰালয়ে ১১ ডিচেম্বৰত অনুষ্ঠিত কৰিছিল ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতা। উক্ত প্ৰতিযোগিতাৰ 'খ' শাখাত গুৱাহাটী পাব্লিক স্কুলৰ দশম শ্ৰেণীৰ ছাত্ৰী কাজিতা কাশ্যপ প্ৰথম হৈছিল। শক্তি মন্ত্ৰালয়ে বিজ্ঞান ভৱনত অনুষ্ঠিত কৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাষ্ট্ৰপতিৰ হাতৰ পৰা বঁটা আৰু সন্মান গ্ৰহণ কৰে বনস্মিতাই। তদুপৰি শক্তি মণ্ঞালয়ে বনস্মিতাই অংকন কৰা ছবিখন ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক উপহাৰ হিচাপে প্ৰদান কৰে। উল্লেখযোগ্য যে ২০১৮ চনতো শক্তি মন্ত্ৰালয়ৰ অধীনত আয়োজিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ চিত্ৰাংকণ প্ৰতিযোগিতাত বনস্মিতা দ্বিতীয় হৈছিল। গুৱাহাটীৰ ৰূপবৰ্ণম ফাইন আৰ্ট ছ'চাইটিৰ অধ্যক্ষ অনুপ কুমাৰ শৰ্মাৰ তত্বাৱধানত চিত্ৰাংকণৰ অনুশীলন কৰা বনস্মিতা পাঞ্জাবাৰীৰ বতাহঘুলিৰ বাসিন্দা প্ৰশান্ত দাস আৰু গিনিতা দাসৰ কন্যা। স্বাভাৱিকতেই চিত্ৰাংকণৰ যোগেদি ৰাষ্ট্ৰীয় পৰ্যায়ত উজলি উঠা ছাত্ৰী গৰাকীয়ে নিজৰ লগতে ৰাজ্যখনলৈও গৌৰৱ কঢ়িয়াই আনিছে।

# কোনে কোনে লাভ কৰিব অৰুণোদয় আঁচনিৰ ধন




ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দিল্লীৰ পৰা ভাৰ্চুৱেলী শুভাৰম্ভ কৰিলে অৰুণোদয় ২.০ আঁচনি। অৰুণোদয় আঁচনিৰ বাবে প্ৰতিমাহে ৰাজ্য চৰকাৰে ৩৪৫ কোটি টকা ব্যয় কৰিব বুলি মুখ্যমন্ত্ৰী গৰাকীয়ে জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, ১০ এপ্ৰিলৰ ভিতৰত দিয়া হ'ব অৰুণোদয় আঁচনিৰ প্ৰথমটো কিস্তি। নতুন আঁচনিত সলনি কৰা হৈছে কেইবাটাও নিয়ম। পূৰ্বতে কেৱল মহিলাই লাভ কৰিছিল এই আঁচনিৰ ধন। এতিয়া পুৰুষ আৰু তৃতীয় লিংগৰ লোকো আঁচনিৰ অন্তৰ্ভুক্ত হ'ব। এই আঁচনিত নতুনকৈ ১০ লাখ ৫৪ হাজাৰ হিতাধিকাৰীক সামৰি লোৱা হৈছে। হিতাধিকাৰীৰ সংখ্য ৩৫ লাখলৈ বৃদ্ধি হৈছে। বৃদ্ধাশ্ৰমত থকা বৃদ্ধয়ো পাব অৰুণোদয়ৰ সুবিধা। এতিয়াৰ পৰা ঘৰত দুচকীয়া বাহন, ফ্ৰীজ থাকিলেও পাব অৰুণোদয়ৰ ধন সুবিধা। বাৰ্ষিক আয় ২ লাখতকৈ কম হোৱা পৰিয়ালে পাব অৰুণোদয়। কাৰোবাৰ ঘৰত যদি ভাড়াত চলোৱা ট্ৰেক্টৰ যদি থাকে তেন্তে লাভ কৰিব অৰুণোদয়। পকী ঘৰ নথকা সকলোৱে হ'ব অৰুণোদয়ৰ হিতাধিকাৰী। গাঁৱত ১৫ কঠা মাটি থাকিলে পাব আঁচনিৰ সুবিধা। সৰু টাউনত ৩ কঠা মাটি থকিলেও পাব অৰুণোদয়। ২ লাখ ২৬ হাজাৰ হিতাধিকাৰী অন্তৰ্ভুক্ত কৰিব পাৰিব উপায়ুক্তই।

# গুৱাহাটীৰ আঠগাঁৱৰ মাৰোৱাৰী মেটাৰ্নিটি হাস্পতালত ভয়ংকৰ কাণ্ড

ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ আঠগাঁৱৰ মাৰোৱাৰী মেটাৰনিটি হাস্পতালত ভয়ংকৰ কান্দ সংঘটিত হয়। অজ্ঞাত কন্যা সন্তানৰ লগত সলনি কৰাৰ চেষ্টা কৰে পুত্ৰ সন্তান। এই লৈ ক্ষুব্ধ পুত্ৰ সন্তানটিৰ পিতৃ, মাতৃ আৰু পৰিয়ালৰ লোক। ঘটনাটো সংঘটিত হয় পুৱা ৬:৩০ বজাত যোৱা ১২ ডিচেম্বৰত মাৰোৱাৰী হাস্পতালত ভৰ্তি কৰোৱা হয় হাজোৰ য়াছমিন বেগমক। নুৰ ইছলাম নামৰ এজন লোকৰ পত্নী য়াছমিনে হাস্পতালখনত যোৱা ১৩ ডিচেম্বৰত জন্ম দিয়ে এটি পুত্ৰ সন্তান। জণ্ডিছ পৰীক্ষাৰ অৰ্থে আজি পুৱা ৬:৩০ বজাত মাতৃৰ কোলাৰ পৰা সন্তানটি লৈ যায় হাস্পতালখনৰ কোনো এক কৰ্মচাৰীয়ে। ষ্টিকাৰ সলাই দুঘণ্টামান পাছত সেই কৰ্মচাৰীয়ে নিজৰ সলনি য়াছমিনৰ কোলাত তুলি দিয়েহি বেলেগৰ আন এক সন্তান। সেয়া আছিল কন্যা সন্তান। হাস্পতালখনৰ এনে কাণ্ডৰ তীব্ৰ প্ৰতিবাদ কৰে য়াছমিনৰ লগতে তেওঁৰ স্বামী আৰু পৰিয়ালৰ লোকে। কিন্তু এই প্ৰতিবাদক বৃদ্ধাংগুছ দেখুৱাই তেনে কাণ্ড কৰা নাই বুলি দাবী কৰে কৰ্মচাৰীগৰাকীয়ে। কন্যাসন্তানটিৰ হাতত থকা ষ্টিকাৰটো দেখুৱাই নিজৰ অপৰাধ ঢকাৰ চেষ্টা কৰে কৰ্মচাৰীগৰাকীয়ে। অৱশেষ্যে য়াছমিন আৰু তেওঁৰ স্বামীৰ লগতে পৰিয়ালৰ লোকে নিজৰ স্থিতি নেৰিলে। সেই প্ৰতিবাদ মৰ্মে য়াছমিনে পাছত লাভ কৰে নিজৰ সন্তানটি। কিন্তু হাস্পতালখনৰ এনে কাণ্ডক সহজে মানি লোৱা নাই সন্তানটিৰ পিতৃ আৰু বৰদেউতাকে। ঘটনা সন্দৰ্ভত তেওঁলোকে আৰক্ষীৰ কাষ চপাৰ সিদ্ধান্ত লৈছে হাস্পতালখনৰ এনে অপকৰ্মৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী আৰু স্বাস্থ্যমন্ত্ৰীৰো হস্তক্ষেপ বিচাৰিছে তেওঁলোকে।

# ষষ্ঠ শ্ৰেণীৰ পৰাই পাঠদান কৰিব লাগিব বিষয় শিক্ষকসকলে

ৰঙিলী বাৰ্ত্তাসেৱা- এতিয়াৰে পৰা ষষ্ঠ শ্ৰেণীৰ পৰাই পাঠদান কৰিব লাগিব বিষয় শিক্ষকসকলে। শিক্ষা বিভাগৰ পৰা এই গুৰুত্বপূৰ্ণ নিৰ্দেশনা দিয়া হৈছে। ৰাজ্যৰ শিক্ষা বিভাগে স্নাতকোত্তৰ শিক্ষকসকলক সকলো মাধ্যমিক বিদ্যালয়ত ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ শিক্ষাদান কৰাৰ নিৰ্দেশ প্ৰদান কৰিছে। মাধ্যমিক বিদ্যালয়সমূহত শিক্ষকৰ সংখ্যা বৃদ্ধি হোৱাৰ পিছতে বিভাগৰ পৰা এই নিৰ্দেশনা জাৰি কৰা হৈছে। মাধ্যমিক শিক্ষা বিভাগৰ সচিব ড° বিজয়া চৌধুৰীৰ নিৰ্দেশনা অনুসৰি শিক্ষাৰ মান উন্নত কৰাৰ স্বাৰ্থতে এই সিদ্ধান্ত লৈছে ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে। উল্লেখযোগ্য যে, পূৰ্বে একাদশ-দ্বাদশ শ্ৰেণীতহে পাঠদান কৰিছিল বিষয় শিক্ষকে।

# পুথিভঁৰাল সঞ্চালকালয়ৰ প্ৰাক্তন সঞ্চালিকা ৰুমী গোস্বামীক গ্ৰেপ্তাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- গ্ৰাম্য পুথিভঁৰালৰ নামত লাখ লাখ টকা আত্মসাৎ কৰা পুথিভঁৰাল সঞ্চালকালয়ৰ প্ৰাক্তন সঞ্চালিকা ৰুমী গোস্বামীক গ্ৰেপ্তাৰ। ৰুমী গোস্বামীয়ে আৰক্ষীৰ পৰা হাত সাৰিবলৈ অগ্ৰিম জামিন আবেদন কৰিছিল যদিও গুৱাহাটী উচ্চ ন্যায়ালয়ে এই আবেদন নাকচ কৰিছে। ৰুমী গোস্বামীৰ অগ্ৰিম জামিন নাকচ কৰাৰ পিছতে আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰিছে। উল্লেখ্য যে, পুথিভঁৰাল সঞ্চালকালয়ৰ প্ৰাক্তন সঞ্চালিকা ৰুমী গোস্বামীয়ে ঠিকাদাৰ স্বামী প্ৰণৱ গোস্বামীৰ সৈতে মিলি সঞ্চালকালয়ৰ ৪৬ লাখৰো অধিক ধন আত্মসাৎ কৰিছিল। আত্মসাৎ কৰা ধনেৰে দুয়ো পতি-পত্নীয়ে মিলি তেজপুৰত অট্টালিকা নিৰ্মাণ কৰাৰ কথাও প্ৰকাশ পাইছে। এই সন্দৰ্ভত পুথিভঁৰাল সঞ্চালকালয়ৰ ফালৰ পৰা দাখিল কৰা এক গোচৰৰ ভিত্তিত যোৱা ২৬ নৱেম্বৰত গ্ৰেপ্তাৰ হৈছিল ৰুমী গোস্বামীৰ ঠিকাদাৰ স্বামী। তেতিয়াৰে পৰা পলাতক হৈ আছিল ৰুমী গোস্বামী।

# বিশিষ্ট চিন্তাবিদ ড° শিৱনাথ বৰ্মন আৰু নাই



ৰঙিলী বাৰ্ত্তাসেৱা- ড° শিৱনাথ বৰ্মন আৰু নাই। ৰাজ্যৰ বিশিষ্ট চিন্তাবিদগৰাকীয়ে নেমকেয়াৰ হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে। অধ্যাপক, লিখক, সম্পাদক, অভিধান প্ৰণেতা আৰু অনুবাদক ৰূপে কৃতিত্ব অৰ্জন কৰা বৰ্মনে 'জনসাধাৰণ' বাতৰি কাকতৰ মুখ্য সম্পাদক ৰূপেও সেৱা আগবঢ়াইছিল। ২০২২ বৰ্ষত তেখেতৰ জীৱনজোৰা সাহিত্যিক অৱদানৰ বাবে 'ওজা হেমচন্দ্ৰ বৰুৱা ভাষা-সাহিত্য সাধনা বঁটা'ৰ লগতে অসম সাহিত্য সভাৰ ছগনলাল জৈন বঁটা প্ৰাপক শিৱনাথ বৰ্মনৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮০ বছৰ। ১৯৪২ চনত যোৰহাট জিলাত জন্মগ্ৰহণ কৰা চিন্তাবিদগৰাকীৰ পিতৃৰ ঘৰ আছিল নলবাৰী চহৰৰ পশ্চিম চামতাৰ আমনি গাঁৱত।

# পশ্চিম বংশৰ মৌজাত সাহিত্য চৰ্চা

**মনোৰঞ্জন শৰ্মা**

**যোৰাখণ্ডৰ পৰা**

হালোগাঁও উজৰি চুবুৰীৰ মনসা পূজাৰ শত বাৰ্ষিকী উপলক্ষে 'মা মনসা' নামৰ এখনি স্মৃতিগ্ৰন্থ ২০১০ চনতেই প্ৰকাশ পায়। হালোগাঁও শাখা সাহিত্য সভাৰ মুখপাত্ৰ "কুহি" ড০ বিভাৰাণী কলিতাৰ সম্পাদনাত প্ৰকাশ পায়। ইয়াৰোপৰি অসম কবি সমাজ হালোগাঁও শাখাৰ উদ্যোগত দুখনি কবিতা সংকলন যথাক্ৰমে ৰেঙণি - ১ আৰু ৰেঙণি - ২ শ্ৰী ৰতন চন্দ্ৰ কলিতাৰ সম্পাদনাত ২০২০ ইং চনৰ ২৭ ডিচেম্বৰ আৰু ২০২১ ইং চনৰ ২১ নৱেম্বৰ তাৰিখে প্ৰকাশ পায়। হালোগাওঁ শাখা সাহিত্য সভাৰ জৰিয়তে বামুন্দী হাইস্কুলৰ অৱসৰী শিক্ষক শ্ৰীশশধৰ শৰ্মাৰ প্ৰবন্ধ পল্লব নামৰ এখনি গ্ৰন্থ প্ৰকাশ পায়।

হালোগাঁৱৰ এগৰাকী উদ্যোগী ডেকা তথা সমাজকৰ্মী শ্ৰী ৰতন চন্দ্ৰ কলিতাৰ কাব্যিক প্ৰতিভা বহুতো। সৰুৰে পৰা সাহিত্য চৰ্চা কৰি ভালপোৱা শ্ৰী কলিতাৰ গল্প, প্ৰবন্ধ, কবিতা অসমৰ বিভিন্ন বাতৰি কাকত আৰু আলোচনীত প্ৰায় ১৫০ মান প্ৰকাশ পাইছে। ২০০৯ চনতেই তেওঁৰ প্ৰথম কবিতা পুথি "ছাতি" প্ৰকাশ পায়। ইয়াৰোপৰি গাঁৱৰ উদ্যোগী ডেকা কৃষ্ণ কান্ত মেধিৰ সোঁৱৰণত "কৃষ্ণায়ু" ২০২০ বৰ্ষত, হালোগাঁৱৰ সমাজকৰ্মী ৰাজেন্দ্ৰ কুমাৰ মেধি সোঁৱৰণত "কৃষ্ণজ্যোতি" ২০২১ ইং বৰ্ষত আৰু হালোগাঁৱৰ আগশাৰীৰ সমাজকৰ্মী দেৱ কুমাৰ কলিতাৰ সোঁৱৰণত "দেৱতৰু", শশাংক দাস কলিতাৰ সোঁৱৰণত "ৰূপালীম" নামেৰে এখনি সোঁৱৰণী গ্ৰন্থ প্ৰকাশ পায়। আটাইকেইখন সম্পাদনা কৰে শ্ৰী ৰতন চন্দ্ৰ কলিতাই।

ক্ষেত্ৰিহাৰদিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ হালোগাঁও নিবাসী শ্ৰীপ্ৰভাত চন্দ্ৰ ঠাকুৰীয়া বৃহত্তৰ অঞ্চলটোত প্ৰকাশিত বিভিন্ন আলোচনীত অসমীয়া আৰু ইংৰাজী ভাষাত নিয়মিত নিবন্ধ লিখাৰ উপৰিও 'জিজ্ঞাস' আৰু 'প্ৰস্তুতি' আলোচনীত English Sectionটো বৰ্তমানো লিখি আছে। ইয়াৰোপৰি H.S. English for II yr ( Grammar, Essay. Composition) 1978ত আৰু, H. S. English for II yr (Prose, Poetry & Rapid Reader) প্ৰকাশ পাইছিল। ১৯৬০ চনতেই বামুন্দী হাইস্কুলৰ পৰা গুৱাহাটী বিশ্ব বিদ্যালয়ৰ অধীনত



অনুষ্ঠিত মেট্ৰিক পৰীক্ষাত অসমৰ ভিতৰত চতুৰ্থ স্থান লাভ কৰা ড০ অমূল্য চৌধুৰী আৰ্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞানৰ অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰি শেষত এচ.বি ডেওৱা মহাবিদ্যালয়ৰ পৰা অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰা (বৰ্তমান গুৱাহাটী নিবাসী) এজন বিশিষ্ট নিবন্ধকাৰ ড০ চৌধুৰী দেৱে লিখা ভালেমান পদাৰ্থ বিজ্ঞানৰ গ্ৰন্থই ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা বিশেষ ভাবে সমাদৃত হৈছিল যিটো আমাৰ অঞ্চলৰ বাবে এক গৌৰবৰ বিষয়।

হালোগাঁৱৰ শ্ৰীঅনিল কলিতাই (বৰ্তমান গুৱাহাটী নিবাসী) দাসত্বৰ শিকলি ছিঙি আৰু মানৱ আত্মাৰে নামেৰে দুখনি গ্ৰন্থ প্ৰকাশ কৰিছে। তেওঁৰ সহধৰ্মিনী শ্ৰী ভাস্বতী কলিতা (ভণিতা) এগৰাকী সাহিত্য সেৱী। তেওঁৰ কাপেৰে সাহিত্য জগতলৈ কেইবাখনো গ্ৰন্থ প্ৰকাশ পাইছে। গ্ৰন্থ কেইখন হৈছে- দেৱতাৰ সন্ধানত, আই, আই লাভ ইউ (গল্প সংকলন), ফুল চন্দন তুলসী (উপন্যাসিকা), উলা সেন্দুৰ (উপন্যাস), গংগাৰামৰ সংসাৰ আৰু প্ৰথম খোজ মোৰ।

কয়াটোল নিবাসী (বৰ্তমান গুৱাহাটী) শ্ৰীলোহিত চন্দ্ৰ কলিতাই বামুন্দী হাইস্কুলত পঢ়ি থকা অৱস্থাতে কবিতা লিখি বিদ্যালয়ৰ আলোচনীত প্ৰকাশ কৰি সাহিত্য সেৱীৰ পৰিচয় দিছিল। বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয় অৱসৰপ্ৰাপ্ত গণিত বিষয়ৰ মুৰব্বী অধ্যাপক শ্ৰী কলিতাই কেইবাখনো গ্ৰন্থ প্ৰকাশ কৰি উলিয়ায়। গ্ৰন্থ কেইখন হ'ল- 'গানিতিক কবিতামৃত', 'কেনেকৈ মচিম শিৰৰ সেন্দুৰ', 'বৈ আছে হাজো সুঁতি', 'পথাৰৰ পকা ধানে মোক মাতে'।

সৰুলাহ নিবাসী শ্ৰী প্ৰসন্ন দাসৰ এটি কবি মন সৰুৰে পৰাই আছিল। তেখেতৰ প্ৰকাশিত গ্ৰন্থ দুখন হ'ল 'আই প্ৰণাম তোমাক (কবিতা পুথি) প্ৰকাশ পায় ১৯৯৭ চনত আৰু 'বহাগৰ জুই' নামেৰে এখনি উপন্যাস প্ৰকাশ পায় ২০০২ চনত। টোক্ৰাদিয়া গাঁও নিবাসী বিশিষ্ট ভাগৱতী তথা এগৰাকী আগশাৰীৰ সংস্কৃত পণ্ডিত শ্ৰীপ্ৰমোদ চন্দ্ৰ দেৱ শৰ্মা শাস্ত্ৰীদেৱে ভাগৱত চৰ্চা কৰি নামনি অসমত সুনাম অৰ্জন কৰিছিল। জীৱনত লাভ কৰা অভিজ্ঞতাৰে সঞ্চিত জ্ঞান-গৰিমাৰে জীৱিত কালতেই 'একাদশী ব্ৰত মাহাত্ম্য কথা'(১৯৯৭) আৰু 'শ্ৰীশ্ৰীকৃষ্ণ গীতা' (২০০১) প্ৰকাশ পাইছিল। অপ্ৰকাশিত গ্ৰন্থ 'সত্য নাৰায়ণ ব্ৰত পাচালী', 'শ্ৰীবৎস চিন্তা 'ৰ লগতে বহুতো উপন্যাস কবিতা আৰু অনুবাদ সাহিত্যৰাজি শাস্ত্ৰীদেৱৰ বছৰেকীয়া মৃত্যু তিথিৰ দিনা তেখেতৰ সুযোগ্য জ্যেষ্ঠ সন্তান অনুপ কুমাৰ শৰ্মাৰ উদ্যোগত আৰু শ্ৰীশংকৰ শইকীয়াৰ সম্পাদনাত প্ৰমোদ চন্দ্ৰ দেৱ শৰ্মা শাস্ত্ৰী ৰচনাৱলী -" জীৱন আৰু কৃতি "২০০৪ ইং চনত প্ৰকাশ পাইছে।

টোক্ৰাদিয়া গাঁৱৰে শ্ৰীহৰকান্ত কলিতাৰ দ্বাৰা দুখন কবিতা পুথি 'নতুন সূৰুযে পুবাৰ ৰাতি' (২০১৩) আৰু 'নতুন সূৰুযৰ ৰ'দ কাচলিত ২০১৪ ইং বৰ্ষত প্ৰকাশ পাইছে আৰু শ্ৰীছয়নিকা কলিতাৰ 'কবিতাৰ প্ৰেমত কবি আৰু মই' কবিতা সংকলনটি (২০০৬) আৰু ৰামায়ণত উপেক্ষিতা উৰ্মিলা' (২০১৩) এখনি প্ৰবন্ধ সংকলন প্ৰকাশ পাইছে।

টোক্ৰাদিয়া গাঁৱৰ সুসন্তান দামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ইংৰাজী বিষয়ৰ বিষয় শিক্ষক প্ৰয়াত ভৱেশ কলিতাৰ এটি সাহিত্যিক মন সৰুৰে পৰাই আছিল। অঞ্চলটোত অতি জনপ্ৰিয় কলিতাৰ কাপৰ পৰা 'প্ৰতিশ্ৰুতি' (কবিতাপুথি) ২০১৩, 'পিতাই কোৱা তিনিটা সাধু' (সাধুকথা) ২০১৩, 'মহাভাৰতৰ বিৰাট পৰ্ব'(২০১৪) প্ৰকাশ পাইছে। তেখেতৰ এখনি অপ্ৰকাশিত গ্ৰন্থ 'এগৰাকী কৰ্কট ৰোগীৰ আত্মকথা আৰু কিছু ক্ষোভ' প্ৰকাশৰ পথত। বৰহাৰদিয়া গাঁৱৰ ড০ ভবেন্দ্ৰ কলিতা অভয়াপুৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে ২০১৩ অৱসৰ গ্ৰহণ কৰিছে। সৰুৰেপৰা তীক্ষ্ণ বুদ্ধিৰ কলিতাই এলানি গ্ৰন্থ ৰচনাৰে সাহিত্য ভঁৰাল চহকী কৰিছে। তেখেতৰ কবিতা পুথি 'ব্ৰহ্মপুত্ৰত জুই লাগিছে' (২০০০), 'শংকৰদেৱৰ কীৰ্ত্তনৰ ভাষা তাত্বিক বিচাৰ'(২০১১), বৈষ্ণৱ যুগৰ অসমীয়া ভাষাত 'শ্ৰীমদ্ভাগৱত গীতাৰ অনুবাদ'(২০১১), অনুবাদতত্ব (২০১১)।

ড০ ভবেন্দ্ৰ কলিতাৰ সহধৰ্মিনী শ্ৰীমতী সৰলাশীল কলিতাইও এলানি গ্ৰন্থ ৰচনাৰে সাহিত্য ভঁৰাল চহকী কৰিছে। তেখেতৰ গ্ৰন্থ সম্ভাৰ হ'ল 'শইছে গন্ধোৱা বাটেদি' (কবিতা পুথি) ২০০২, 'কথাশিল্পী মানিক বন্দোপাধ্যায় প্ৰসঙ্গ পদ্মানদীৰ মাঝি' ২০১১, নিৰুপমা বৰগোহাঞিও আৰু মানিক বন্দোপাধ্যায়ৰ আঞ্চলিক উপন্যাস ২০১৭।

( ছয় পৃষ্ঠাত চাওক)

# সপোনৰ দেশত

**ৰাতুল দাস, নগাঁও**



উজাগৰী নিশা  
দেখিছোঁ মই, , , ,  
মোৰ সপোনৰ দেশৰপৰা  
আকাশী পথেৰে বোঁৱতি নৈৰ দৰে নামি  
আহিছে,  
মেঘালী চুলিৰে  
ধুনীয়া সেই জোনাকী পৰী জনী।  
খুব ভাল লাগে  
জানা তোমাক,  
তোমাৰ নীলাভ দুচকুৰে চোৱা  
সেই মায়াসনা বেকা চাৱনি  
গুলপীয়া দুটি ওঁঠৰ মাজেৰে  
ভাহি অহা আজাৰফুলীয়া  
সেই মৃদু হাঁহিটিৰে।  
ইমান ধুনীয়া তোমাৰ অপৰূপ সৌন্দৰ্য্যই  
মোৰ হৃদয়ৰ সাগৰত  
প্ৰেমৰ অসংখ্য জোৱাৰ তুলিছিল।  
লাহে লাহে  
নিশাটো বৰ ৰাগীয়াল হৈ উঠিছিল  
জানা !!  
তোমাৰ লাস্যময়ী ৰূপৰ ৰাগিত আসক্ত হৈ  
তোমাক এবাৰ ওচৰৰ পৰা  
চুই চাবলৈ মন গৈছিল, , ,  
ৰাতিৰ নীৰৱতাত  
তোমাৰ ভৰ যৌৱনা আলসুৱা দুবাহুত  
গলি যাবলৈ মন গৈছিল।  
কিন্তু! কিয় জানো !!!  
মোৰ ভয় লাগে  
তুমি যদি হেৰাই যোৱা  
সপোনৰ দেশত।  
আকৌ ভাবিছিলোঁ  
তোমাক এবাৰ সুধি চাও নেকি?  
তোমাৰ মেঘালী চুলিৰ ভাঁজত  
মোৰ বাবে এমুঠি মৰমৰ জোনাক  
কোচ ভৰাই আনিছানে বাৰু....  
এনেতে মোৰ  
টোপনি ভাঙি গ'ল!  
সাৰ পাই উঠি দেখিলোঁ এইয়া যে এটি সপোনহে!  
আৰু হঠাতে তুমি হেৰাই গ'লা  
মোৰ সপোনৰ দেশত।।

# সামাজিক মাধ্যমৰ ব্যৱহাৰ ঃ তথ্য আৰু জনসংযোগ বিষয়াৰ তিনিদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ সফল সামৰণি

ৰঙিলী বাৰ্তাসেৱা- চৰকাৰ আৰু জনসাধাৰণৰ মাজত সমন্বয়ৰক্ষী হিচাপে কাম কৰি অহা অসমৰ তথ্য আৰু জনসংযোগ বিভাগৰ বিষয়াসকলক সাম্প্ৰতিক সময়ৰ সৈতে আগুৱাই যাব পৰাকৈ প্ৰযুক্তিগতভাৱে সুপ্ৰশিক্ষিত কৰাৰ উদ্দেশ্যেৰে তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ উদ্যোগত ১৫ ডিচেম্বৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে সামাজিক মাধ্যমৰ ব্যৱহাৰ বিষয়ক প্ৰশিক্ষণ প্ৰদান কৰা হয়। দিছপুৰৰ লোক নিৰ্মাণ বিভাগৰ প্ৰশিক্ষণ আৰু সন্মিলন কেন্দ্ৰত অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্যসূচীৰ সামৰণী অনুষ্ঠানত অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ সচিব উমানন্দ দলেই অংশগ্ৰহণ কৰি সামাজিক মাধ্যমৰ ব্যৱহাৰৰ ক্ষেত্ৰত মানি চলিবলগীয়া কিছুমান গুৰুত্বপূৰ্ণ কথাৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত তথ্য আৰু জনসংযোগ সঞ্চালক বিষ্ণু কমল বৰাই বিষয়াসকলৰ সৈতে মত-বিনিময় কৰি জনসাধাৰণক সেৱা আগবঢ়াব পৰাকৈ প্ৰয়োজন হোৱা বিভিন্ন দিশ আলোচনা কৰে। উল্লেখযোগ্য যে, সামাজিক মাধ্যমৰ বিভিন্ন দিশ আৰু ইয়াৰ ব্যৱহাৰ সম্পৰ্কে প্ৰশিক্ষণ প্ৰদান কৰে মুম্বাইৰ পৰা অহা দুগৰাকী প্ৰশিক্ষক ক্ৰমে চাজিদ এদি আৰু বেদান্ত ঠাকুৰীয়াই। তদুপৰি কৰ্মক্ষেত্ৰত প্ৰয়োজন হোৱা ব্যৱহাৰিক কাৰ্যদক্ষতা বৃদ্ধি সম্পৰ্কীয় প্ৰশিক্ষণ প্ৰদান কৰে প্ৰশিক্ষক প্ৰশান্ত পানীফুকনে।

# পুনৰ ঘোচ লৈ হাতে

ঘোচ লৈ হাতে-লোটে গ্ৰেপ্তাৰ কনিষ্ঠ গাণনিক সহায়ক জগত চন্দ্ৰ নাথ। বিহপুৰীয়া উপ-কোষাগাৰত জগত চন্দ্ৰ নাথ নামৰ কনিষ্ঠ গাণনিক সহায়কক গ্ৰেপ্তাৰ কৰিলে অসম আৰক্ষীৰ দুৰ্নীতি নিবাৰক শাখাই। জানিব পৰা মতে, এগৰাকী শিক্ষকৰ পৰা এন পি এচৰ টকা মোকলাই দিয়াৰ নামত তিনি হাজাৰ টকা লোৱাৰ সময়তে অসম আৰক্ষীৰ দুৰ্নীতি নিবাৰক শাখাই জগত চন্দ্ৰ নাথক কৰায়ত্ত কৰে।

# ২৩ ডিচেম্বৰত মুক্তি

অনুৰোধ জনাইছে। ছবিখনত অভিনয় কৰিছে জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গে। ছবিখনে আৰম্ভণিৰ পৰাই সচেতন মহলত চৰ্চা লাভ কৰিবলৈ সক্ষম হৈছে। ছবিখনত অভিনয় কৰিছে জুবিন গাৰ্গ, বৰষা ৰাণী, তপন দাসৰ লগতে গীতাৱলী ৰাজকুমাৰী, সন্দীপ শৰ্মা আৰু সিদ্ধাৰ্থ শৰ্মা প্ৰমুখ্যে কেইবাগৰাকীও জনপ্ৰিয় অভিনেতা অভিনেত্ৰীয়ে। ৰামধেনু প্ৰডাকচনৰ বেনাৰত নিৰ্মিত এই ছবিখনৰ কাহিনী, চিত্ৰনাট্য আৰু সংলাপৰ দায়িত্বত আছে অভিজিৎ ভট্টাচাৰ্য্য। আনহাতে, ছবিখনৰ সংগীত পৰিচালনা কৰিছে জুবিন গাৰ্গ, তৰালী শৰ্মা, জয়ন্ত কাকতি, অজয় ফুকন আৰু দৰ্শনে।



# ৰান্ধনী শালৰ বিজ্ঞান

বন্দিতা শৰ্মা কন্দলি
বিজ্ঞান শিক্ষয়িত্ৰী, চৰকাৰী অভ্যাসন উচ্চ বুনিয়াদী বিদ্যালয় তিতাবৰ



“ৰান্ধনী শাল” য’ত আমি আমাৰ খাদ্য বস্তু ৰান্ধোঁ। সাধাৰণ ভাষাত আমি পাকঘৰ বুলিয়েই কওঁ। ইয়াত বিজ্ঞানৰ কথাতকৈ জুতি লগাই খোৱাৰ কথাহে মনলৈ আহে। একোটা পৰিয়ালৰ বা ঘৰখনৰ মহিলা সকলৰ হাততেই সাধাৰণতে ৰান্ধনী শালৰ দায়িত্ব থাকে। গতিকে আমি ক’ব পাৰো একোটা পৰিয়ালৰ সদস্য সকলৰ স্বাস্থ্য বহু পৰিমাণে নিৰ্ভৰ কৰে ৰান্ধনী গৰাকীৰ ওপৰতে ।ৰান্ধনী গৰাকী ৰন্ধন প্ৰণালীৰ লগতে স্বাস্থ্য বিধিৰ প্ৰতি সজাগ আৰু সচেতন হোৱা অতিকে প্ৰয়োজন। কিয়নো আমি সুষম আহাৰ গ্ৰহণ কৰিব পাৰিলেহে অভাৱ জনিত ৰোগৰ পৰা হাত সাৰি থকাৰ উপৰিও নানা বেমাৰৰ বীজাণুৰ আক্ৰমণৰপৰা দেহক বচাই ৰাখিব পাৰিম। প্ৰতি গৰাকী নাৰীয়েই সেয়ে খাদ্য বস্তু ৰন্ধাৰ ক্ষেত্ৰত সদায় সচেতন হোৱা উচিত।

প্ৰথমে আমি চাব লাগিব খাদ্য বস্তু ৰান্ধিবৰ বাবে কেনেদৰে যোগাৰ কৰি লওঁ! আমি শাক- পাচলি বা ফল- মূল কটা বা বাকলি গুচোৱাৰ আগতেই ধুই ল’ব লাগে। পাচলি কটাৰ পাছত ধুলে কিছুমান ভিটামিন নোহোৱা হয়। বেছি ভাগ শাক-পাচলি আৰু ফল-মূলৰ বাকলিত ভিটামিন আৰু খনিজ লৱণ থাকে। সেয়ে পাচলিৰ বাকলি পাতলকৈ গুচাব লাগে। কিছুমান পাচলিৰ আকৌ বাকলি নুগুচোৱাকৈয়ে ব্যৱহাৰ কৰিব পাৰি। বেছি তেল বা পেকেটৰ ভিন ভিন মচলাই খাদ্য বস্তুৰ সোৱাদ বঢ়ায় আৰু আমাৰ জিভাত জুতি লাগে। এনে মুখৰ জুতি লগা খাদ্য আমাৰ শৰীৰৰ বাবে ক্ষতিকাৰক। এই ক্ষেত্ৰত ৰান্ধনী গৰাকী সদায় সচেতন হ’ব লাগে যাতে কম পৰিমাণৰ তেল, কম জুই ব্যৱহাৰ কৰি আদা, তেজপাত, নহৰু, পিয়াঁজ, জিৰা ধনীয়া আদি মচলা দি খাদ্যৰ জুতি বঢ়াই স্বাস্থ্য সন্মত ভাৱে ৰান্ধি পৰিয়ালৰ সদস্য সকলৰ সু-স্বাস্থ্য অটুট থাকে। বেছি পানী দি ৰান্ধি অতিৰিক্ত পানী খিনি পেলাই দিলে বহু লাগতীয়াল প্ৰ’টিন আৰু বেছি ভাগ খনিজ লৱণ নাইকিয়া হয়।

বৰ্তমানৰ প্ৰদূষিত পৰিৱেশত ব্যক্তিৰ ৰোগ প্ৰতিৰোধ ক্ষমতা অটুট ৰাখিবলৈ স্বাস্থ্য সন্মত খাদ্য গ্ৰহণ কৰিব লাগিব। এই ৰোগ প্ৰতিৰোধ ক্ষমতা ৰান্ধনী শালৰ পৰাহে বাঢ়িব। আমি কেনে ধৰণৰ আহাৰ গ্ৰহণ কৰিম আৰু আমাৰ চাফ- চিকুণতা ৰান্ধনী শালৰ ওপৰত নিৰ্ভৰশীল। ভিটামিন আৰু খনিজ লৱনৰ অভাৱত আমি ৰোগ প্ৰতিৰোধ ক্ষমতা হেৰুৱাও।

বেছি তাপৰ প্ৰভাৱত খাদ্যৰ ভিটামিন -c সহজেই নষ্ট হয়। সেয়ে ৰান্ধনী সকলে টেঙা জোল ৰান্ধোতে উতলি থকা অৱস্থাত নেমু চেপি নিদিয়ে। নমাই থৈ বা বেলেগ পাত্ৰত কাঢ়িহে টেঙা দিয়া দেখা যায়। প্ৰেছাৰ কুকাৰত ৰান্ধিলে খাদ্য বস্তুৰ গুণাগুণ অটুট থাকে। বিশেষকৈ মাংসৰ ক্ষেত্ৰত বেছি নিৰাপদ।

পাকঘৰ চাফা কৰাৰ ক্ষেত্ৰত মহিলা গৰাকী সদা সচেতন। মক্সহ -মাখি, পঁইতাচোৰা, নিগনি আদি যাতে খোৱা বস্তুত নপৰে তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে। “কামো নাই আজৰিও নাই ”- এই বচন ফাকি মহিলা সকলৰ মাজত প্ৰায়ে শুনিবলৈ পোৱা যায়। অৰ্থাৎ এই চাফ চিকুণৰ কাম খিনি আনৰ চকুত ধৰা নপৰে। সেয়ে কাম দেখা নাপায়।

টেঙা, তিতা, খাৰ আৰু সেউজীয়া শাক পাচলি, বতৰৰ ফল মূল আদি বিভিন্ন ব্যঞ্জনেৰে ৰন্ধা খাদ্য যোগান ধৰি পৰিয়ালৰ আটাইকে ৰোগ মুক্ত কৰি ৰাখে ৰান্ধনী গৰাকীয়ে। ৰান্ধনী গৰাকীৰ নিজৰ স্বাস্থ্য আৰু হাত, নখ আদিৰ চাফ চিকুণতাৰ ওপৰতো খাদ্য বস্তুৰ গুণাগুণ নিৰ্ভৰ কৰে। সেয়ে প্ৰতি গৰাকী ৰান্ধনী সজাগ আৰু সচেতন হৈ বিজ্ঞান সন্মত ৰান্ধনী শাল এখন গঢ়ি তুলিব পাৰে।

# পশ্চিম বংশৰ মৌজাত

অনুদিত কবিতা পুথি: মাটি আৰু মানুহৰ গান। গৱেষণামূলক গ্ৰন্থ: কমাৰশাল, শিলালিপি।

অসম নাট্য সন্মিলনৰ ২০১২ ইং বৰ্ষৰ সোণালী জয়ন্তী উপলক্ষে তেখেতে ‘ৰংগমঞ্চ’ সম্পাদনা কৰিছিল। বৰহাৰদিয়াৰ শ্ৰীঅংকুমণি কলিতাই সৃজন উৎসৰ বাবে গান্ধাৰ বোলাত বা কোনোবা বন্দনাৰ বাবে ব’দৰ আঙঠি’ শীৰ্ষক এখনি কবিতা পুথি ২০১৬ চনত প্ৰকাশ পাইছে। ভট্টদেৱৰ ৩৭৭ তম তিথি মহোৎসৱ উপলক্ষে ‘ভক্তি সমাহাৰ’ নামেৰে এখনি স্মৃতি গ্ৰন্থ বৰহাৰদিয়াৰ পৰা ২০১২ চনত প্ৰকাশ পায়। পশ্চিম বংশৰ মৌজাৰ দামপুৰ এখন ডাঙৰ গাঁও। এই গাঁৱৰেই সুযোগ্য সন্তান আক্ৰাম হচেইন শইকীয়াই আজিৰ পৰা বহুবছৰ পূৰ্বেই বিভিন্ন প্ৰৱন্ধ পাতি লিখি বাতৰি কাকতৰ যোগেদি প্ৰকাশ কৰিছিল। এই গাঁৱৰেই এম, আব্দুৰ ৰহমানে ‘দামপুৰ এয়া’ পুথিত দামপুৰৰ বিৱৰণ দাঙি ধৰিছিল। মহম্মদ খবিৰদিনৰ কবিতা পুথি ‘কেতিয়াবা কেতিয়াবা ময়ো গান গাঁও’ আৰু ‘ইছলামৰ দৃষ্টিত তালাক আৰু অন্ন বস্ত্ৰ সমস্যা’ নামৰ দুখন গ্ৰন্থ লিখি সামদৰ লাভ কৰিছে।

দামপুৰৰ এগৰাকী সুযোগ্য সন্তান গুণী-জ্ঞানী ব্যক্তি মঃ চফিউৰ ৰহমান শইকীয়া জনস্বাস্থ্য বিভাগৰ মুখ্য অভিযন্তা হিচাপে ২০০০ চনতেই অৱসৰ গ্ৰহণ কৰি বৰ্তমান গুৱাহাটী মহানগৰীৰ বাসিন্দা। সৰুৰে পৰা সাহিত্য চৰ্চা কৰি অহা শইকীয়া দেৱে এতিয়ালৈকে কেইবাখনো গ্ৰন্থ ৰচনা কৰিছে। গ্ৰন্থকেইখন হৈছে- ‘কেইজনমান চুফী সাধক আৰু কৰ্মীৰ চুফী কবিতা’, ‘দেশে দেশে মোৰ দেশ আছে’, ‘মিৰ্জা গালিবঃ জীৱন’ আৰু ‘সৃষ্টি’, ‘চুফী কৰি আৰু চুফী কবিতা’,‘ভ্ৰমণৰ আনন্দ’, ‘বিভিন্ন প্ৰসংগ : দেশ, কাল মানুহ’, ‘জেইবুন নিচা’। চুফী দাৰ্শনিক ৰুমীৰ- মছনবী,ৰুমীৰ কবিতা, দেশে-বিদেশে, মোগল ৰাজ কুমাৰীসকল, মীৰ টাকিনীৰ: জীৱন কাল আৰু কবিতা, দ্বাৰা শিকোহ : জীৱন, সৃষ্টি আৰু চুফীবাদ, ৰাবিয়া বাচৰী: জীৱন আৰু চুফী কবিতা, কেৰলীয়া জানে ৰিঙিয়াই।

আগলৈ

# আই...

অভিলাষা গগৈ,পঞ্চম শ্ৰেণী, টীয়ক



নিজে নাখাই যিয়ে দিছিল আমাক খুৱাই
তেওঁৰে মোৰ মৰমৰ আই।
ল’ৰালি কালত যেতিয়া পাইছিলোঁ সৰু-বৰ দুখ
ল’ৰি আহি তেওঁৰেই দিছিল আমাক সুখ।
যিয়ে মোক অতি কষ্টৰে কৰিলে ডাঙৰ-দীঘল
তেঁৱে মোৰ পূজনীয়া আই অতি মৰমৰ।

# প্ৰকৃতি...

চুমিতা গগৈ, অষ্টম শ্ৰেণী, টীয়ক



প্ৰকৃতি আই তুমি হ’লা অতি মহান
গছ-লতা, নদ-নদী তোমাৰেই অৱদান।
তোমাৰ বুকুতেই আমি আছোঁ জীয়াই
তথাপি মানুহে ইয়াক কিয় বুজি নাপায় ?
যদি গছ-গছনি কাটি তহিলং কৰে
পৃথিৱীলৈ অন্ধকাৰ নামি আহে।

# আঘোণৰ পথাৰ...

লক্ষীপ্ৰিয়া দাস,পঞ্চম শ্ৰেণী, টীয়ক



আঘোণৰ পথাৰত
ধান আছে নাচি
দুহাতত তুলি লৈছে কাচি।
দাৱনিয়ে লৈছে টেঙাৰ জুতি
আনন্দ মনেৰে খেতিয়কে
পথাৰত বুটলিছে সোণগুটি।
কিমান যে ধুনীয়া সোণোৱালী পথাৰখন
চাই নালাগে কেতিয়াও ভাগৰ
ৰংমন-ৰজনীয়ে কান্ধত বিৰিয়া লৈ
কঢ়িয়াইছে ডাঙৰিবোৰ।
ৰ’ লাগি চাইছো মই বৈ
ওৰকে নপৰে সেইবোৰ কৈ।


JANASANYOG-3446/22
Azadi Ka Amrit Mahotsav
বিত্ত বিভাগ
নিয়মীয়াকৈ ঋণ পৰিশোধৰ লগতে বেংক একাউণ্ট সক্ৰিয়
ৰাখি ৰাজ্যৰ অৰ্থনীতি সবল কৰাত অংশীদাৰ হ'বলৈ
মাইক্ৰ'ফাইনেন্স ঋণীসকললৈ
বিনম্ৰ আহ্বান
কোভিড-১৯ মহামাৰীৰ সময়ত মাইক্ৰ'ফাইনেন্সৰ ঋণ ঘূৰাই দিয়াত অসমৰ্থ হোৱা ঋণীক সকাহ প্ৰদান কৰা তথা সময়মতে ঋণ পৰিশোধ কৰা সকল ঋণীক উদগনি যোগোৱা ক্ষেত্ৰত অসমেই হৈছে প্ৰথমখন ৰাজ্য।
২০২১ চনৰ ২৪ আগষ্টত অসম চৰকাৰে ৩৭টা ঋণ প্ৰদানকাৰী সংস্থাৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰি অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনি, ২০২১ৰ শুভাৰম্ভ কৰে।
অসম চৰকাৰে ইতিমধ্যে যিসকলে নিয়মীয়াকৈ ঋণ পৰিশোধ কৰিছে তেওঁলোকক প্ৰথম প্ৰকাৰৰ ঋণী হিচাপে চিহ্নিত কৰি তেনে শ্ৰেণীৰ ৯ লাখ হিতাধিকাৰীক প্ৰায় ১,৬০০ কোটি টকাৰ উদগনিমূলক ধন আগবঢ়াইছে।
অসম চৰকাৰে দ্বিতীয় শ্ৰেণীৰ (১-৮৯ দিন পলম হোৱা) অন্য ১ লাখ হিতাধিকাৰীলৈও ১৯০ কোটি টকাৰ অতিৰিক্ত আৰু উদগনিমূলক ধন প্ৰদান কৰিছে।
দ্বিতীয় প্ৰকাৰৰ ঋণী, যেনে- চাপত থকা তথা ঋণ ঘূৰাই দিয়াত অসমৰ্থ ঋণীক সম্পূৰ্ণ তথা আংশিকভাৱে অনতিপলমে সকাহ প্ৰদান কৰাৰ বাবেও অসম চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।
বজাৰত ঋণ গ্ৰহণ আৰু পৰিশোধৰ এটা আদৰ্শ প্ৰক্ৰিয়া যাতে প্ৰতিষ্ঠা হয় তথা ভাৰতীয় ৰিজাৰ্ভ বেংক নিয়ন্ত্ৰিত প্ৰতিষ্ঠানসমূহৰ পৰা যাতে অধিক ঋণ আহৰণৰ এটা পৰিৱেশ গঢ়ি তুলিব পৰা যায় তাৰ বাবে অসম চৰকাৰৰ এককালীন সকাহমূলক এই আঁচনি কাৰ্যকৰী হৈছে।
ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম
সময়মতে ঋণ পৰিশোধ কৰি ঋণৰ নিয়মানুবৰ্তিতা বজাই ৰাখিবলৈ সকলো ঋণীক আহ্বান জনোৱা হ'ল।
Finance Department | Government of Assam
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in

**E-mail us-**
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

# Rongili Barta

GUWAHATI—781025

২ পুহ ১৪২৯ চন Rongili Barta, Date of Publication--18 December,2022

## ENGLISH NEWS SECTION

## Vice-Chairman Ramen Deka formally inaugurated SITA Funded project “Samriddhi Poultry”




Guwahati,RB News- Hon’ble Vice-Chairman Sri Ramen Deka formally inaugurated the SITA Funded project “Samriddhi Poultry” at Goriaghuli Cluster under Dimoria Development Block of Kamrup (Metro) district in an official programme held at the site. SITA had sanctioned the project namely “Samriddhi Poultry- An innovative approach for economic empowerment of rural women of Assam through model egg village”and executed with its implementing partner Assam Agricultural University through the Directorate of Research (Vety) AAU, Khanapara. The project is taken up at Goriaghuli Cluster under Dimoria Development Block of Kamrup (Metro) district and will cover 30 numbers of beneficiaries and provide them with some inputs like cages for Layer, pullet of commercial layers and feed. Addressing the gathering, Hon’ble Vice-Chairman Ramen Deka hopes that the beneficiaries would utilize the opportunities provided to them properly then it will become a role model for the other people and will also enhance the economic power of the women, which will improve their living standards. Co-Vice Chairman Dhruba Prasad Baishya also spoke on the occasion and said that the project will help directly or indirectly in the economic development of the country. The programme was attended by Director of Research (Vety), Assam Agricultural University Dr. Niranjan Kalita, Gaon Pradhan Sri Ashok Kumar Timung, Circle Officer Sri Gopal Sharma, officials of AAU & SITA, and beneficiaries of Goriaghuli.

## Assam Governor inaugurates the celebration of Vijay Diwas




Guwahati,RB News- The victory of the Indo- Pak war of 1971 has always instilled a sense of self-pride and self-confidence in the country and the countrymen.” said Assam Governor Prof. Jagdish Mukhi at the inauguration of the celebration of Vijay Diwas at a function held in the convention and training centre of PWD, in the city. The Governor while inaugurating the programme organized by Seemanta Chetna Mancha Purvottar to commemorate the victory of India over Pakistan in the year 1971, said, “As an elated and grateful nation, we are celebrating the Vijay Diwas to mark the historic victory of the 1971 Indo-Pak war. The country will always be indebted to those brave sons. On this golden occasion, I pay my tributes to all those immortal soldiers of the country who sacrificed their lives in the Indo-Pak war of 1971.” Prof. Mukhi also said that in the continuous development of the country, the need for security, education, health, cooperation and self-reliance of the people living along the border areas cannot be ignored. Many a time they face challenges which are very serious in nature. Sometimes they are misled by the anti-social forces. Therefore, the people living along the border areas need special attention. He also said that government from time to time has been taking several schemes for their welfare.

## Documentary on Lachit Barphukan to be telecast by History TV18 and Republic TV



Guwahati,RB News- The documentary made under the aegis of Government of Assam on the occasion of the 400 th Birth Anniversary celebration of Lachit Barphukan will be telecast on History TV18-SD and History TV18-HD at 7 p.m. on December 17, 2022. The documentary made on the life and works of the ever valiant Ahom General of Assam who defeated the Mughal invaders will be telecast by History TV18-SD and History TV18-HD at 6 p.m. on December 20, at 7 p.m. on December 25 and at 6 p.m. on December 28, 2022. The documentary will be telecast on Republic TV at 6 p.m. on December 17 and at 10 a.m. on December 18, 2022.

## 3.4-magnitude earthquake hits Himachal Pradesh's Kinnaur

RB News- An earthquake of 3.4 magnitude occurred in Himachal Pradesh's Kinnaur late on Friday. The tremors were felt around 10:02 pm and the epicentre was Chango Nichla near Nako in Kinnaur, Special Secretary Disaster Management Sudesh Mokta said. No loss of life or property was reported, but people living close to the epicentre rushed out of their houses in panic.

## India need 4 wickets on last day to beat Bangladesh in 1st Test

RB News-India need four wickets on the last day to defeat Bangladesh in the first Test in Chattogram. Bangladesh ended the fourth day at 272/6 in the second innings, needing another 241 runs to win the match. Earlier in the day, Zakir Hasan slammed a hundred, becoming the first Bangladesh opener to slam a hundred on Test debut.

**#Beauty of the Week, #Art of the Week** আৰু **# Photography of the Week** লৈ আপোনালোকৰ ফটোবোৰ আমালৈ **E-mail** যোগে প্ৰেৰণ কৰক

**E-mail-**
**rongilibartamedhi@gmail.com**
**Whatsapp - 9854215286**

ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মঁহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286